প্ৰতিটো মুহূৰ্তত প্ৰতিজন মানুহে মৃত্যুৰ সৈতে লুকা-ভাকু খেলি জীয়াই থাকে। জীৱন এই আছে এই নাই; ভৰসা নাই জীৱনৰ; শয়নে সপোনে মৃত্যুৰ খবৰৰ চাৰিবেৰত মানুহ জীয়াই থাকে। অনিশ্চয়তা জীৱনৰ সংগী হোৱাৰ পাছতো মানুহৰ হাবিয়াসৰ তিব্ৰতা কিন্তু কমি যোৱা নাই। আধুনিক সভ্যতাৰ বুকুত দুৰ্ঘটনাবোৰৰ কাৰণ জ্ঞাত যদিও সজাগ-সচেতনতাক...

# পথ-দুৰ্ঘটনা, হিট এণ্ড ৰান প্ৰতিৰোধ আৰু সজাগতা

কুশল কুমাৰ দাস

'জীৱ গিদৰ (শিয়াল) কি মৌত আতি হেই তো ৱহ চহৰ কি তৰফ ভাগতা হেই।' উত্তৰ ভাৰতীয় বলয়ত বহুল প্ৰচলিত প্ৰৱচনৰ লগত পথ দুৰ্ঘটনাৰ কিবা সম্পৰ্ক থাকিব পাৰে জানো? জীৱ-জন্তুবোৰ প্ৰায়ে এক বিশেষত্বৰ; নতুনত্ব নাই, কিন্তু পৰিস্থিতি সাপেক্ষে জীৱ-জন্তুক মানুহৰ সৈতে তুলনা কৰি কথা কোৱা এটা স্বভাৱজাত দুৰ্বলতা। মানুহৰ প্ৰকৃতিগত আচৰণৰ লগত মিলাই যিকোনো জন্তুক সাঙোৰ লগাই কথা কয়। ঘৰচীয়া বা বনৰ জীৱ-জন্তুৰ সৈতে মানুহক ৰিজাই আওপকীয়াকৈ বিশেষ জন্তুক উপলুঙাহে কৰা হয়। যিয়েই নহওক, মানুহৰ মৃত্যুৰ সময় আহিলে চহৰলৈ যোৱাৰ কথা কেতিয়াও খাপ নাখায় যদিও প্ৰতিদিনে পথ দুৰ্ঘটনাত মৃত্যুৰ কিৰিলি যেনি-তেনি কাণত পৰে, চিনাকি-অচিনাকি আতোলতোল জীৱনবোৰ তৎক্ষণাৎ হেৰাই যায়; অপশক্তিৰ গচকত পৰাৰ দৰে মৃত্যুৰ শীতল কোলাত অগণন মানুহ অবাঞ্ছিতভাৱে শুই পৰে। দুখজনক খবৰ সাংবাদিকে ঢুকি পোৱালৈকে দূৰদৰ্শনৰ পৰ্দাত বাৰ্তা হৈ ওলায়। প্ৰতিটো মুহূৰ্তত প্ৰতিজন মানুহে মৃত্যুৰ সৈতে লুকা-ভাকু খেলি জীয়াই থাকে। জীৱন এই আছে এই নাই; ভৰসা নাই জীৱনৰ; শয়নে সপোনে মৃত্যুৰ খবৰৰ চাৰিবেৰত মানুহ জীয়াই থাকে। অনিশ্চয়তা জীৱনৰ সংগী হোৱাৰ পাছতো মানুহৰ হাবিয়াসৰ তিব্ৰতা কিন্তু কমি যোৱা নাই। আধুনিক সভ্যতাৰ বুকুত দুৰ্ঘটনাবোৰৰ কাৰণ জ্ঞাত যদিও সজাগ-সচেতনতাক ঢাকি ৰখা আৰু অনিশ্চয়তাৰ মুখামুখি হোৱাই জীৱন বুলি মানুহে ভাবিব লৈছে। এই ক্ষেত্ৰত মানুহে নিজৰ অমূল্য জীৱনক সুৰক্ষা দিবলৈ কিছুমান কাম কৰিব লাগিব। ক'ব বিচাৰিছোঁ, অবাঞ্ছিত পথ দুৰ্ঘটনা আৰু হিট এণ্ড ৰানৰ পৰা পৰিত্ৰাণ পাবলৈ পথ সুৰক্ষাৰ কিছুমান অলিখিত সাৱধানতাৰ কথা। সাধাৰণ বিধিবোৰ মানি চলাৰ লগতে কিছুমান আধ্যাত্মিক সত্যৰ আশ্ৰয় ল'ব লাগিব। যিবোৰৰ সৈতে একাত্ম হ'ব পাৰিলে যান্ত্ৰিক পৃথিৱীত আমি দুদিনমানলৈ জীয়াই থাকিব পাৰিম। আমি জানো যে দুৰ্ঘটনাত নিহত বা আহতসকলে যেনেকুৱা আইনী বিচাৰ লাভ নকৰক কিয়, নিহতক কেতিয়াও ঘূৰাই পোৱা সম্ভৱ নহয়; আহতসকলেও পূৰ্বৰ স্বাভাৱিক জীৱনলৈ ঘূৰি নাহে। গতিকে যন্ত্ৰযুগত মানুহে অকাল মৃত্যুৰ পৰা ৰক্ষা পাবলৈ প্ৰতিটো মুহূৰ্ত সজাগ হৈ থকা জৰুৰী। আমাৰ বেয়া অভ্যাস হৈছে পদপথত খোজ নাকাঢ়োঁ বা পাহৰিয়ে থাকে। অৱশ্যে পদপথৰ কিছুমান সমস্যাও আছে, অস্থায়ী দোকান-পোহাৰবোৰ পুৱাৰ পৰা আৰম্ভ হয়, সময়ে সময়ে প্ৰশাসনে ন'টিচ জাৰি কৰিলেও ক্ষুদ্ৰ ব্যৱসায়ীবোৰে সহযোগ নকৰে। সুকীয়া বজাৰ থাকিলেও ৰাস্তাৰ কাষৰ আৱাসীয়ে নিজৰ পদুলিৰ সন্মুখত অধিক উপাৰ্জনৰ আশাত ভাৰাতীয়া দোকানৰ বেহ সাজি দিয়ে আৰু গ্ৰাহকৰ অসংখ্য বাহনে ট্ৰেফিক বেমেজালিৰ সৃষ্টি কৰে। অসমৰ সকলো চহৰতে অতি ব্যস্ত পথবোৰত এনে ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ বাবে সুগম যাতায়াত সম্ভৱ হৈ নুঠে। এনে দোকান-পোহাৰবোৰে গুৱাহাটীত নিত্য নতুন ট্ৰাফিক সমস্যা সৃষ্টি কৰি আছে। চহৰত বসবাস কৰি থকা আৱাসীয়ে ৰাস্তাৰ কাষত সাজি দিয়া দোকানবোৰৰ বাবে পৌৰনিগমে কঠোৰ বিধি-ব্যৱস্থা আনিব পাৰে। কিন্তু ইয়াৰ বিপৰীতে গুৱাহাটীকে ধৰি ৰাজ্যৰ আন চহৰবোৰৰ ট্ৰেফিক বেমেজালি আঁতৰাবলৈ উৰণ বা অতিক্ৰম সেতু নিৰ্মাণ কৰিব লগা হৈছে। এনে ব্যৱস্থাই পথ দুৰ্ঘটনা ৰোধ কৰিব পৰা নাই; বৰঞ্চ বৃদ্ধিহে হৈছে। এই ক্ষেত্ৰত প্ৰতিজন মানুহে নিজৰ জীৱনক অপঘাত মৃত্যুৰ পৰা ৰক্ষা পাবলৈ এটি অযুগুত অনুভৱ (Inappropriate feelings) ঘৰৰ পৰা ৰাস্তালৈ আহোঁতে মনত সজাগ কৰি ৰাখিব লাগিব। ৰাস্তাৰ সকলো যান-বাহন আনকি



নিজে চলাই অহাখনকো হত্যাকাৰী (killer) বুলি ভাবি ল'ব লাগিব। বাহনবোৰে যিকোনো মুহূৰ্তত হত্যাকাণ্ড সংঘটিত কৰিব পাৰে। নিজে চলাই যোৱা বা আনৰ বাহনে দুৰ্ঘটনা সংঘটিত কৰি মানুহ মাৰিব পাৰে। আগে-পাছে হত্যাকাৰী বা নিজৰ গাড়ীখনো আনৰ হত্যাকাৰী বুলি ভবা অযুগুত অনুভৱে দুৰ্ঘটনা লাঘৱ কৰাত সহায় কৰিব পাৰে। অৰ্থাৎ হত্যাকাৰীৰ পৰা জীৱনটো বচাবলৈ অনৱৰতে সষ্টম হৈ থাকিলে অপঘাত মৃত্যু কিছু পৰিমাণে কমিব পাৰে। আন কিছুমান কথা যেনে— পদপথ নথকা ৰাস্তাত খোজ দিওঁতে আগে-পাছে অহা হত্যাকাৰী বাহনৰ পৰা জীৱনটো বচাবলৈ সষ্টম হৈ থকা-দৰকাৰ, কাৰণ দুৰ্ঘটনা হোৱাৰ পাছৰ কথাবোৰৰ কোনো মূল্য নাই। গতিকে আহত বা নিহতৰ ভাগিদাৰী যাতে মই বা আপুনি হ'বলগা নহয়; যিমান পাৰি পদপথত খোজ কঢ়া অভ্যাস কৰিব লাগে, হত্যাকাৰী বাহনে আপোনাৰ ওচৰ চাপিব যাতে নোৱাৰে নিশ্চিত থাকক, ৰাস্তাত ট্ৰেফিক নিয়ম নমনা আৰু নজনা বহু হত্যাকাৰী বাহন ঘূৰি ফুৰে; নিজক বচাবলৈ দাম্ভিকতা এৰি প্ৰয়োজনত ৰাস্তাৰ একেবাৰে কাষলৈ নামি দিয়াত কৃপণালি নকৰিব; নহ'লে নিৰ্ঘাত মৃত্যু বা শৰীৰ ঘুণীয়া হোৱাৰ পৰা ৰক্ষা নাপাব। আমি অবাঞ্ছিত মৃত্যুৰ হাতোৰাৰ পৰা ৰক্ষা পোৱা প্ৰাথমিক চৰ্ত হ'ব লাগিব। যন্ত্ৰচালিত বাহন উদ্ভাৱন নোহোৱাৰ আগত মানুহৰ স্বাভাৱিক মৃত্যুৰ বাহিৰে অন্য দুৰ্ঘটনাজনিত মৃত্যু যেনে যুদ্ধ-বিগ্ৰহ, কাজিয়া-পেচাল, হত্যাকাণ্ড, আত্মহত্যা আৰু প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা হৈছিল। সেইবোৰৰ ব্যাখ্যাও জটিল নাছিল। কিন্তু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰৰ লগে লগে পথসমূহ মসৃণ আৰু আহল-বহল যিমানে হ'বলৈ ধৰিলে সিমানে শিশুৰ পৰা বৃদ্ধলৈ অবাঞ্ছিত মৃত্যু বাঢ়ি গ'ল। ২০২২ চনৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু পৰিবহণ মন্ত্ৰালয়ৰ এক গণনা মতে প্ৰতি তিনি মিনিটত ভাৰতবৰ্ষত ৪৭৪জন লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হয়; এবছৰত ১.৬৮ লাখ লোকে প্ৰাণ হেৰুৱায়। পৃথিৱীৰ ভিতৰতে সৰ্বাধিক মৃত্যুৰ অভিলেখ পুতৌজনকে নহয় উদ্বেগজনকো। চাৰি-ছয় লাইনযুক্ত ঘাইপথেও দুৰ্ঘটনা কমাব পৰা নাই; ইয়াৰ বাবে পথ সুৰক্ষাৰ লগত জড়িতসকল দায়ী নে হত্যাকাৰী বাহনবোৰ? পথৰ সকলো যান-বাহনক হত্যাকাৰী বুলি কোৱাৰ বিপৰীতে পথৰ নিয়ম-নীতি উলংঘা কৰা সকলো সমানে দায়বদ্ধ। সঘনাই হোৱা দুৰ্ঘটনাৰ বাবে মানুহৰ বাহিৰে আন কাকো দুষিব নোৱাৰি। তেনেস্থলত মানুহৰ সজাগতা আৰু সাৱধানতাৰ অভাৱ হৈছে নে মানুহ নিয়ন্ত্ৰণহীন হৈ পৰিছে? এক অৰ্থত মানুহৰ অতপালি বাঢ়িছে আৰু যাৰবাবে এনেবোৰ ঘটনা ৰোধ কৰাত প্ৰশাসন আৰু জনতা ব্যৰ্থ হৈ পৰিছে। সমস্যা হৈছে পথ ব্যৱহাৰ নকৰাকৈ মানুহৰ জীৱন নচলে। মানুহৰ বাবে সকলো ভয় একত্ৰিত কৰি পথৰ কাষত ফলক লগাই থ'লেও পথ দুৰ্ঘটনা কমি যোৱা নাই। ভূত-পিশাচ, ধৰ্মৰ প্ৰতি মানুহ যিমান সজাগ আৰু সাৱধান, সেই অনুপাতে ক্ৰমান্বয়ে বৃদ্ধি পোৱা পথ-দুৰ্ঘটনাৰ ভয়াৱহতাৰ প্ৰতি মানুহ সজাগ আৰু সাৱধান নহয়। যেনে— ম'বাইলত কথা পাতি ৰাস্তাৰ মাজেৰে ধীৰ গতিৰে গাড়ী চলাই পাছৰ গাড়ীবোৰকো লাহে লাহে চলাই যাবলৈ বাধ্য কৰাও এক অপৰাধ। ইয়াৰ ফলত হৰ্নৰ বিকট শব্দই সেই ঠাইত কোলাহল সৃষ্টি কৰে। কোনো গাড়ীয়ে খৰধৰকৈ অতিক্ৰম কৰোঁতে বিপৰিতমুখী গাড়ীৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। ট্ৰেফিকৰ বাধাৰ বাবে গাড়ীৰ দীঘলীয়া শাৰীৰ দুই-এখনে অযথা কাণ তালমৰা বিকট হৰ্ন বজাই শব্দ প্ৰদূষণ কৰাও এক অপৰাধ বুলি বহু চালকে নাজানে। হৰ্ন নবজোৱাকৈও যে গাড়ী চলাব পাৰি তেনে কথা ভাবিবই নোৱাৰে। ৰখাই থোৱা বা উপ-পথৰ পৰা ঘাইপথত গাড়ী উলিয়াব লাগিলে তীব্ৰ বেগত ওলোৱা আৰু হৰ্ন বজোৱা মাৰাত্মক বুলি বহু চালকে নাজানে। বাওঁফালে গৈ থকা গাড়ীয়ে বাওঁফালৰ টাৰ্ন বা কেঁকুৰিত বাধা নাথাকে যদিও সোঁফালৰ কেঁকুৰিত বাওঁপথেৰে নগৈ সোঁফালেৰে সহজভাৱে যাবলৈ বিচৰাত অধিকসংখ্যক গাড়ীৰ চালকে দুৰ্ঘটনা সংঘটিত কৰে। অভাৰটেক নিৰ্ভৰ কৰে সন্মুখত গৈ থকা গাড়ীখন আৰু ৰাস্তাৰ পৰিসৰৰ ওপৰত, একক পথ হ'লে হৰ্ন বা ছিগনেল লাইট জ্বলাই আগৰ বাহনক অৱগত কৰোৱা আৰু পথ এৰি দিব পৰা হ'লেহে অতিক্ৰম বা অভাৰটেক কৰিব লাগে। কিন্তু হত্যাকাৰী বাহনৰ চালকবোৰৰ ধৈৰ্য নাথাকে আৰু এনে অধৈৰ্য চালকে প্ৰায়ে দুৰ্ঘটনা সংঘটিত কৰি মানুহ মাৰে আৰু নিজেও মৰে। চাৰি আলিৰ ট্ৰেফিক ছিগনেলৰ ৰঙা (গাড়ী ৰখোৱাৰ ছিগনেল), সেউজীয়া (যাব পৰাৰ ছিগনেল), আৰু হালধীয়া (যোৱাৰ সময় শেষ হোৱা ছিগনেল)ৰ ব্যৱস্থাৰ কথা আওকাণ কৰা বাহনে সদায় বেমেজালি কৰে। গ্ৰীন ছিগনেল পোৱাৰ পাছতো কিছুমান বাহনে ইচ্ছাকৃতভাৱে লাহে লাহে আগবঢ়াত শাৰীপাতি থকা গাড়ীবোৰে নিৰ্দিষ্ট সময়ত পাৰ হ'ব নোৱাৰে। লগতে বাওঁফালৰ পথছোৱা মুকলি কৰি ৰখাৰ সলনি বহু বাহনে আগতে পাৰ হৈ যোৱাৰ আশাত বন্ধ কৰি ৰাখে; সেয়ে বাওঁপথছোৱা মুকলি কৰিবৰ বাবে বহু বাহনে হৰ্ন বজাই তাগিদা দিব লগা হয়। এনে অৱস্থাত দুই- এখন বাহনৰ চালকে গাড়ী চলাব নাজানে বুলি বাকযুদ্ধত লিপ্ত হোৱা গতানুগতিক কথা হৈ পৰিছে। ৰাষ্ট্ৰীয় ঘাই পথত গাড়ী পাৰ্কিং (ৰখাই থোৱা)-ৰ নিয়ম নাই; তেনে অৱস্থাত ট্ৰাফিকে ইচ্ছা কৰিলে জৰিমনা বিহিব পাৰে। গতি নিয়ন্ত্ৰণৰ ফলকবোৰৰ লগতে শিক্ষানুষ্ঠান, স্বাস্থ্য কেন্দ্ৰ, তেল ডিপো, চৰকাৰী কাৰ্যালয়, বাইপাছ আদিৰ বিভিন্ন নিৰ্দেশনা পথৰ কাষত দিয়া থাকে, বাহনৰ চালকে গাড়ী চলাওঁতে চোকা দৃষ্টি দিয়া অতি জৰুৰী। পথৰ সকলো নিয়মৰ প্ৰতি সজাগ হৈ থাকিবলৈ চালকজনৰ মন-মগজু স্বাভাৱিক কৰি ৰাখিব লাগিব। পৰিতাপৰ কথা যে সকলো ভয়ংকৰ দুৰ্ঘটনাৰ মূল কাৰণ হৈছে চালকৰ মদ্যপান। মদ্যপান কৰা চালকে অত্যধিক আত্মবিশ্বাসত গাড়ী চলায় পথত সন্ত্ৰাসৰ সৃষ্টি কৰি দুৰ্ঘটনা সংঘটিত কৰে। এনে আত্মবিশ্বাসে অধিক মদাপান কৰাত মনোনিৱেশ কৰায় আৰু এটা সময়ত মগজু আৰু শৰীৰ অৱশ হৈ পৰে। ইয়াৰ পৰিণতিত নিজৰ মৃত্যুৰ লগতে আনৰো জীৱনলৈ কালধুমুহা মাতি আনে। অসমত প্ৰতিদিনে পথ দুৰ্ঘটনাৰ খবৰ সুলভ হৈ পৰিছে। এনে খবৰেও মানুহৰ জ্ঞানচকু মুকলি কৰা নাই; বৰঞ্চ দুৰ্ঘটনাৰ পাছৰ অৱস্থাৰ সৈতে জড়িতসকলৰ ৰেহৰূপ দূৰদৰ্শন, ফে'চবুক আদিত সীমিত সময়ৰ দুখ প্ৰকাশৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ বাহিৰে আমাৰ প্ৰকৃত সজাগতাৰ বাবে কৰণীয় পদক্ষেপ একেবাৰে নাই; এইক্ষেত্ৰত পথ সুৰক্ষা আৰু পৰিবহণ বিভাগে ৰাইজৰ মাজত সজাগতাৰ বাবে দেখনিয়াৰ পদক্ষেপ লয়নে? পথ সুৰক্ষাৰ লগত জড়িতসকলে নিজৰ দায়িত্বসমূহ অধিক প্ৰাণময় কৰি তুলিব লাগিব, যাতে সকলোৱে নিৰ্ভৰযোগ্য বুলি অনুধাৱন কৰে। দুৰ্ঘটনা এটা হোৱাৰ পাছৰ পৰিঘটনা হৈছে পথ অৱৰোধ, চালকক মাৰপিট, গাড়ী জ্বলাই দিয়া আদি। লগতে দুৰ্ঘটনাত পতিতৰ গাড়ী, নিহত-আহতৰ বীমাকেন্দ্ৰিক দৰদামৰ এখন বজাৰ। আহক আমি সকলোৱে পথত সাৱধানে যাতায়াত কৰোঁ, সকলো যান্ত্ৰিক বাহনক হত্যাকাৰী বুলি ধৰি লৈ ৰক্ষা পোৱাৰ উপায়ৰ সন্ধানত থাকোঁ, যাতে আমাক কোনো বাহনে হত্যা কৰিব নোৱাৰে। ইয়াৰ বাবে নিজক লঘু কৰি হ'লেও বাহনৰ দৌৰাত্ম্যৰ পৰা নিজক বচাবলৈ পথৰ কাষত নামি দিম। পথ পাৰ হ'বলৈ খৰধৰ নকৰি ট্ৰেফিকৰ সহায় ল'ম নতুবা দুই হাত দাঙি গাড়ী ৰখাই পাৰ হ'ম। মুঠৰ ওপৰত সকলো মানুহে যমদূতৰূপী গাড়ী-মটৰৰ পৰা জীৱন বচাবলৈ সষ্টম হৈ থকাটোৱে উত্তম বিৱেচনা।

■ ফ'ন: ৯১০১১২২৬৩৮